
ডব্লিউ ডব্লিউ ডব্লিউ ডট্ কপিল ছিবাল এম পি ডট্ কম। যোৱা ৩০ নৱেম্বৰ শুকুৰবাৰৰ পুৱা যিয়ে এই ৱেব ছাইটটোত ক্লিক্ কৰিলে, সকলোৱে হতবাক হোৱাৰ পাল। কিয়নো চান্দনী চৌক সমষ্টিৰ সাংসদ তথা তথ্য প্ৰযুক্তি বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী স্বয়ং কপিল ছিবালৰ চৰকাৰী ৱেবছাইটটোৱেই হেকাৰৰ কৱলত। হেকাৰৰ যেন এয়া মুকলি প্ৰত্যাহ্বান তথ্য প্ৰযুক্তি বিভাগৰ মন্ত্ৰীগৰাকীলৈ। এই গৰাকী মন্ত্ৰীয়েই ২০০৯ চনৰ তথ্য প্ৰযুক্তি আইনখনৰ সংশোধনী প্ৰস্তাৱত চাইবাৰ জগতখনত ক্ৰমে বৃদ্ধি পোৱা অপৰাধক দৃঢ় হাতেৰে প্ৰতিৰোধ কৰাৰ পোষকতা কৰিছিল। তেওঁৰ পৃষ্ঠপোষকতাতেই প্ৰণয়ন হোৱা তথ্য প্ৰযুক্তি আইনৰ ৬৬ (ক) ধাৰাই খৰ্ব কৰিছিল জনসাধাৰণৰ মুক্ত ভাব প্ৰকাশৰ অধিকাৰ। এই আইনৰ গইনা লৈয়েই প্ৰভাৱশালী লোকসকলে তেওঁলোকৰ বিৰুদ্ধাচৰণ কৰা সাধাৰণ মানুহৰ সৰু সৰু মন্তব্যবোৰক বৃহৎ 'ইচ্ছু'লৈ পৰিৱৰ্তন কৰি আৰম্ভ কৰি দিছিল অপৰাধী সজোৱাৰ প্ৰক্ৰিয়া। অন্ লাইনৰ জৰিয়তে দুৰ্নীতি, ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে ক্ৰমাৎ একত্ৰিত হৈ উঠা ভাৰতীয় জনতাৰ মনোবল ভাঙি দিয়াৰ বাবে ই যেন তেওঁলোকৰ হাতত হৈ পৰিল এক পাশুপাত অস্ত্ৰ। বাৰে বাৰে এই আইনৰ প্ৰতিবাদ হোৱা

কপিল ছিবালৰ পৃষ্ঠপোষকতাত প্ৰণয়ন হোৱা তথ্য প্ৰযুক্তি আইনৰ ৬৬ (ক) ধাৰাই খৰ্ব কৰিছিল জনসাধাৰণৰ মুক্ত ভাব প্ৰকাশৰ অধিকাৰ। এই আইনৰ গইনা লৈয়েই প্ৰভাৱশালী লোকসকলে তেওঁলোকৰ বিৰুদ্ধাচৰণ কৰা সাধাৰণ মানুহৰ সৰু সৰু মন্তব্যবোৰক বৃহৎ 'ইচ্ছু'লৈ পৰিৱৰ্তন কৰি আৰম্ভ কৰি দিছিল অপৰাধী সজোৱাৰ প্ৰক্ৰিয়া। অন্ লাইনৰ জৰিয়তে দুৰ্নীতি, ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে ক্ৰমাৎ একত্ৰিত হৈ উঠা ভাৰতীয় জনতাৰ মনোবল ভাঙি দিয়াৰ বাবে ই যেন তেওঁলোকৰ হাতত হৈ পৰিল এক পাশুপাত অস্ত্ৰ।



# হেক্টিভিষ্টৰ সশস্ত্ৰ সংগ্ৰাম

## তথ্য-প্ৰযুক্তি আইনলৈ বৃদ্ধাঙ্গুলি প্ৰদৰ্শন

সাময়িকী | জিতুমণি পাঠক

সত্ত্বেও, বাৰম্বাৰ এই আইনৰ ভাবধাৰাৰ 'অস্পষ্টতা' প্ৰতিপন্ন হোৱাৰ পিছতো যেতিয়া কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এটি বিশেষ শ্ৰেণীৰ সুৰক্ষাৰ কথা চিন্তা কৰি এই দিশত বিশেষ কাণসাৰ নজনালে, সেই ক্ষোভৰেই যেন বিস্ফোৰণ ঘটিল বৃহস্পতিবাৰৰ নিশা। নিজকে 'অনামী' হেক্টিভিষ্ট (Hactivist) বুলি দাবী কৰা হেকাৰৰ এটা দলে সেয়েহে আক্ৰমণৰ লক্ষ্য কৰি ল'লে স্বয়ং তথ্য প্ৰযুক্তি বিভাগৰ মন্ত্ৰীগৰাকীৰ ৱেব ছাইটটোক।

কপিল ছিবালৰ ৱেব ছাইটটো হেক্ হোৱাৰ পিছত তথ্য প্ৰযুক্তি বিভাগৰ ৰাজ্য মন্ত্ৰী মিলিন্দ দেওৰাই চাইবাৰ জগতত সংঘটিত এনেধৰণৰ অপৰাধৰ যি তথ্য আগবঢ়ালে সেয়া অতিকে উদ্বেগজনক। মিলিন্দ দেওৰাই আগবঢ়োৱা তথ্য অনুযায়ী বিভিন্ন মন্ত্ৰণালয় বা চৰকাৰী দপ্তৰসমূহৰ ৱেব ছাইটসমূহত হেকাৰে চলোৱা আক্ৰমণৰ এইটোৱেই প্ৰথম উদাহৰণ নহয়। ২০০৯, ২০১০, ২০১১ চনত যথাক্ৰমে ২০১, ৩০৩ আৰু ৩০৮ টি বিভিন্ন চৰকাৰী ৱেব ছাইট হেকাৰসকলে হেক্ কৰিছিল। এই বৰ্ষটিত অক্টোবৰ মাহ পৰ্যন্ত ইয়াৰ সংখ্যা হৈছেগৈ ২৯৪। চৰকাৰী ৱেব ছাইটবোৰত ব্যাপক হাৰত চলা এই হেকিংবোৰৰ উদ্দেশ্য ভিন্ন ভিন্ন আছিল। কিন্তু ছিবালৰ ৱেব ছাইট হেক্ কৰা হেকাৰবোৰে তেওঁলোকৰ যি উদ্দেশ্যৰ কথা ৰাজহুৱা কৰিলে, সেয়া অভিনৱ। মুম্বাইৰ যুৱতী চাহিনৰ ফেচবুকৰ 'পষ্ট' এটাক লৈ তথ্য প্ৰযুক্তি আইনৰ ৬৬ (ক) যিদৰে অপ-ব্যৱহাৰ কৰা হ'ল তাকে লৈ সমগ্ৰ ভাৰত বৰ্ষত এক গণতান্ত্ৰিক সক্ৰিয়তা পৰিলক্ষিত হৈছিল। সেই আন্দোলনকে এক নতুন ৰূপ দিবলৈ যেন হেক্টিভিষ্ট সকলৰ এয়া এক সশস্ত্ৰ সংগ্ৰাম। ছিবালৰ ৱেব ছাইট হেক্ কৰি তেওঁলোকে স্পষ্ট কৰি দিছে যে তথ্য প্ৰযুক্তি আইনৰ সপক্ষে মন্ত্ৰীগৰাকীয়ে যি সক্ৰিয়তা প্ৰদৰ্শন কৰিছিল তাৰেই প্ৰতিক্ৰিয়া এয়া তেওঁলোকৰ। ইণ্টাৰনেট চেন্সৰশ্বিপৰ বিৰুদ্ধাচৰণ কৰা হেকাৰৰ এই দলটোৱে মুক্ত ভাব প্ৰকাশৰ অধিকাৰক যথোপযুক্ত মৰ্যাদা দিবলৈ যেন হাতে-কামে লাগি পৰিছে। টুইটাৰত তেনে এক প্ৰতিক্ৰিয়া প্ৰকাশ কৰিয়েই লিখিছে, 'মনে মনে আৰু এইদৰে হাত সাৱটি বহি থকাৰ দিন গ'ল। এতিয়া সকলোৱে একগোট হৈ হাতে-কামে প্ৰতিবাদ সাব্যস্ত কৰিবৰ হ'ল।' হেকাৰৰ হাতত পৰি কপিল ছিবালৰ ৱেব ছাইটটি সম্পূৰ্ণ ৰূপে বিধ্বস্ত হৈছিল যদিও বৰ্তমান সময়ত ইয়াৰ বহু অংশৰ পুনৰুদ্ধাৰ সম্ভৱ হৈ উঠিছে। তথাপি 'ব্লগ', 'গেলেৰী', 'কণ্টেক্ট' ইত্যাদি এতিয়ালৈ হেকাৰৰ কৱলত। ৱেব ছাইটটোৰ 'About'-ত ক্লিক কৰিলে নেট ব্যৱহাৰকাৰীসকলে ৱেব ছাইটটো সম্পৰ্কীয় তথ্যৰ সলনি দেখিবলৈ পায় ছাইটটোৰ গৰাকী তথ্য প্ৰযুক্তি বিভাগৰ মন্ত্ৰীগৰাকীক উদ্দেশি হেকাৰসকলে ব্যৱহাৰ কৰা তীব্ৰ বাক্যবাণৰ। ছিবালক আক্ৰমণ কৰি তেওঁলোকে লিখিছে, যাঠিৰ তলৰ বুদ্ধিমত্তা (IQ)'লৈ জন্ম গ্ৰহণ কৰা এই গৰাকী ব্যক্তিয়ে আজি জনগণৰ কণ্ঠৰোধ কৰিবলৈ ইণ্টাৰনেট জগতখনত এক কদৰ্যতাৰ সৃষ্টি কৰিছে।' হেকাৰসকলৰ মন্তব্যত প্ৰকাশিত হৈছে বৰ্তমান সময়ৰ তথা প্ৰযুক্তি মন্ত্ৰীগৰাকীৰ প্ৰতি তেওঁলোকৰ মনত সৃষ্টি হোৱা তীব্ৰ অসন্তুষ্টি।

চাইবাৰ জগতখনত যি কোনো ব্যক্তি বা প্ৰতিষ্ঠানৰ ৱেব ছাইট হেক কৰাটোক এক অপৰাধ বুলি গণ্য কৰা হয়। অৱশ্যে ন্যায়িক, প্ৰশাসনিক কাম-কাজৰ বাবে কেতিয়াবা চৰকাৰৰ অনুমোদন সাপেক্ষে এনেধৰণৰ কাৰ্যই মান্যতা লাভ কৰে। অন্যথা ই যে এক অপৰাধী কাৰ্য সেই সম্পৰ্কে কাৰো দ্বিমত নাই। আৰু এনে প্ৰেক্ষাপটত কপিল ছিবালৰ ৱেব ছাইট হেক্ কৰা দলটোও শাস্তিযোগ্য অপৰাধী। কিন্তু তাৰ পিছতো যেন এই সকলৰ প্ৰতি সাধাৰণ লোকৰ মনত সৃষ্টি হৈছে এক অনুকম্পাৰ। ইয়াৰ কাৰণ বিশ্লেষণ কৰিলে এনে অনুমান হয় যে তথ্য প্ৰযুক্তি আইনে জনসাধাৰণৰ মনত সৃষ্টি কৰা সংশয় তথা প্ৰভাৱশালী লোকসকলে এই আইনৰ গইনা লৈ আৰম্ভ কৰা দৌৰাত্ম্যত অতিষ্ঠ জনসাধাৰণে এই শক্তিশালী পক্ষটিৰ নিয়ন্ত্ৰণহীন গতিক স্তব্ধ কৰিবলৈ যেন কোনো আন এক শক্তিশালী বিকল্পৰ সন্ধানত আছিল। সেয়েহে কপিল ছিবালৰ তথ্য প্ৰযুক্তি আইনক বৃদ্ধাঙ্গুলি প্ৰদৰ্শন কৰি হেকাৰৰ দলটোৱে যেতিয়া তেওঁৰেই ৱেব ছাইট হেক্ কৰিলে তেতিয়া ক'ব নোৱাৰাকৈয়ে হেকাৰসকলে সাধাৰণ মানুহৰ মনত যেন 'ৰবিনহুড'ৰ স্থান লাভ কৰিলে। এনে হোৱাৰ কাৰণ আছিল জনসাধাৰণৰ মনৰ মাজত পুঞ্জীভূত হৈ থকা দীৰ্ঘদিনীয়া ক্ষোভ। দুৰ্নীতি, ভ্ৰষ্টাচাৰত পোত যোৱা ভাৰতক পুনৰুদ্ধাৰৰ প্ৰচেষ্টাৰে যেতিয়া আন্না হাজাৰে, অৰৱিন্দ কেজৰিৱাল আদি সমাজকৰ্মীসকলে 'ইণ্ডিয়া এগেইনষ্ট কৰাপ্‌চন' আন্দোলনৰ সূচনা কৰিছিল, সেই সময়ত এই আন্দোলনক ব্যাপক ৰূপ ধাৰণ কৰাত ছ'চিয়েল নেটৱৰ্কিং ছাইটসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। আন্না হাজাৰেৰ আন্দোলনক যিকোনো উপায়ে মষিমূৰ কৰিবলৈ প্ৰয়াস কৰি থকা শাসনাধিষ্ঠিত চৰকাৰে ছ'চিয়েল নেটৱৰ্কিং ছাইটসমূহৰ এই ভূমিকাত শংকিত হৈ পৰিছিল। নিজৰ দল আৰু চৰকাৰৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ সেই সময়ত তথ্য প্ৰযুক্তি মন্ত্ৰী কপিল ছিবালে এনে ধৰণৰ ছ'চিয়েল নেটৱৰ্কিং ছাইটসমূহক নিৰীক্ষণ কৰা ব্যৱস্থাৰ কথা উত্থাপন কৰে। সেয়া যেন সংগঠিত হৈ পৰা জনতাৰ ক্ষোভৰ জুইত ঘিউ ঢলাৰ দৰেহে কথা আছিল। জনতা, বহু প্ৰতিষ্ঠিত বুদ্ধিজীৱী-সাহিত্যিকৰ বাক্য বাণেৰে সেই সময়ত থকা-সৰকা হৈছিল কপিল ছিবাল। সকলোৱে একগোট হৈ প্ৰতিবাদ কৰিছিল যে জনসাধাৰণৰ মুক্ত ভাব প্ৰকাশৰ অধিকাৰক এইদৰে তলা লগাবলৈ চৰকাৰৰ কোনো অধিকাৰ নাই। তদুপৰি প্ৰশ্ন উত্থাপিত হৈছিল যে কাৰোবাৰ বক্তব্যক শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰিবলৈ তথ্য প্ৰযুক্তি বিভাগৰ কেইজনমান ব্যক্তিৰ পৰিপক্কতা কিমান বা সেয়া অধিকাৰেই পালে ক'ত? ৰাকেশ ঝুনঝুনৱালা নামৰ 'ষ্টকব্ৰ'কাৰ' এগৰাকীয়ে কপিল ছিবালক ব্যঙ্গ কৰি কৈছিল ঃ ছিবালে নিজে ইণ্টাৰনেট বুজে নে নুবুজে সেয়া এক সন্দেহৰ বিষয়। অধিবক্তা এগৰাকীক আনি তথ্যপ্ৰযুক্তিৰ দৰে জটিল বিষয়ৰ ভাৰ চম্ভালিব দিলে এনে অৱস্থাই হ'ব। এয়া মায়াৱতীক 'আইটেম ছং' এটি কৰিবলৈ দিয়াৰ দৰে অৱস্থা।' বিশিষ্ট লেখিকা শোভা দেই কপিল ছিবালক উদ্দেশ্য কৰি লিখিছিল, 'ছিবাল চাহাব, এগৰাকী 'মেডাম'ৰ স্বাৰ্থ সুৰক্ষাৰ বাবে এশ কোটি ভাৰতীয়ৰ ভাবনাক এনেদৰে মষিমূৰ কৰিবলৈ গৈ ভয়াৱহ পৰিস্থিতিৰ বাবে সাজু হওক। আমি স্বাধীনতা ভাল পাওঁ আৰু সেয়া আমি উপভোগ কৰিমেই।' সেই সময়ত কপিল ছিবালে জনগণৰ সংগঠিত ৰূপৰ ওচৰত কোনো ধৰণৰ পদক্ষেপ ল'বলৈ সাহস নকৰিলে যদিও পৰৱৰ্তী সময়ত আমি দেখিবলৈ পাওঁ কপিল ছিবালৰ এই মানস পুত্ৰ তথ্য প্ৰযুক্তি আইন- ৬৬(ক)-ৰে কিদৰে মমতা বেনাৰ্জী, কাৰ্তিক চিদাম্বৰম আৰু মুম্বাই পুলিচে নিৰীহ অম্বীকেশ মহাপাত্ৰ, ৰবি শ্ৰীনিবাস আৰু চাহিনক নগুৰ-নাকটি কৰিলে।



বিশিষ্ট লেখিকা শোভা দেই কপিল ছিবালক উদ্দেশ্য কৰি লিখিছিল, 'ছিবাল চাহাব, এগৰাকী 'মেডাম'ৰ স্বাৰ্থ সুৰক্ষাৰ বাবে এশ কোটি ভাৰতীয়ৰ ভাবনাক এনেদৰে মষিমূৰ কৰিবলৈ গৈ ভয়াৱহ পৰিস্থিতিৰ বাবে সাজু হওক। আমি স্বাধীনতা ভাল পাওঁ আৰু সেয়া আমি উপভোগ কৰিমেই।'

৩০ নৱেম্বৰ, শুকুৰবাৰৰ দিনটো চাগে দেশৰ তথ্য প্ৰযুক্তি বিভাগৰ মন্ত্ৰীগৰাকীৰ বাবে এক বিড়ম্বনাপূৰ্ণ দিন আছিল। কিয়নো এই দিনটোত হেকাৰে তেওঁৰ চৰকাৰী ৱেব-ছাইটটো হেক্ কৰি যিদৰে তথ্য প্ৰযুক্তি আইনখনৰ প্ৰতি এক মুকলি প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছিল, ঠিক একেদিনাখনেই উচ্চতম ন্যায়ালয়ে দেশৰ পাঁচখন ৰাজ্য তামিলনাডু, মহাৰাষ্ট্ৰ, পশ্চিমবঙ্গ, দিল্লী আৰু পুডুচেৰীৰ চৰকাৰলৈ তথ্য প্ৰযুক্তি আইনখনৰ যুক্তিযুক্ততা সম্পৰ্কে প্ৰশ্ন কৰি জাননী প্ৰেৰণ কৰে। উচ্চতম ন্যায়ালয়ৰ এই খৰতকীয়া পদক্ষেপৰ আঁৰত আছিল এগৰাকী যুৱতী-শ্ৰেয়া সিংঘাল। তথ্য-প্ৰযুক্তি আইনৰ ৬৬(ক) অনুচ্ছেদে মুম্বাইৰ ফেচবুক কাণ্ডত চাহিন নামৰ একৈশ বছৰীয়া যুৱতীগৰাকীক যি হাৰাশাস্তি কৰিলে তাৰেই প্ৰতিবাদত এই আইনখনৰ ন্যায্যতাক প্ৰশ্ন কৰি আগবাঢ়ি আহিল আন এগৰাকী সাহসী একৈশ বছৰীয়া যুৱতী শ্ৰেয়া সিংঘাল। ইংলেণ্ডত অধ্যয়ন কৰি মাত্ৰ তিনিমাহ পূৰ্বে দেশলৈ ঘূৰি অহা শ্ৰেয়াই ফেচবুক কাণ্ডৰ পিছত যেতিয়া তথ্য-প্ৰযুক্তি আইনখনৰ ৬৬(ক) অনুচ্ছেদটো অধ্যয়ন কৰে, তেতিয়া আইনখনে নিৰ্দোষী ব্যক্তি এগৰাকীৰ ওপৰত কিদৰে ভয়াৱহ ৰূপ ধাৰণ কৰিব পাৰে সেই সম্পৰ্কে অৱগত হয়। আৰু সেয়েহে এই আইনখনৰ বিৰুদ্ধে এক ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দেশৰ উচ্চতম ন্যায়ালয়ত দাখিল কৰে। তাৰেই ফলত দেশখনৰ জনগণৰ সৈতে সুৰ মিলাই উচ্চতম ন্যায়ালয়েও প্ৰশ্ন কৰিছে সঁচাকৈয়ে বাৰু প্ৰয়োজন আছেনে এনে এখন আইনৰ! এই প্ৰশ্নত অস্বস্তিত পৰিছে পাঁচখনকৈ ৰাজ্যৰ চৰকাৰ। তাতকৈ বেছি অস্বস্তিত পৰিছে তথ্য-প্ৰযুক্তি বিভাগৰ মন্ত্ৰী কপিল ছিবাল। উপৰ্যুপৰি হোৱা এনে আক্ৰমণৰ পিছত কপিল ছিবাল এণ্ড কোম্পানীয়ে তথ্য-প্ৰযুক্তি আইনখনক কিমান দিনলৈ নিজৰ সুৰক্ষা কৱচ হিচাপে ৰাখিব পাৰিব সেয়া আগন্তুক সময়েহে ক'ব।